**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-----------------------**

১। তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত গোৰ্খা জনগোষ্ঠীৰ লগতে অন্যান্য জনজাতীয় লোকৰ সুবিধা হোৱাকৈ কাৰ্য সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণাৰ অসম গোৰ্খা সন্মিলনিৰ শলাগ।

২। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰিবলৈ আৰু সামাজিক মাধ্যমক নিৰীক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত আজি নতুন দিল্লীত সামগ্ৰী আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক।

৪। ভাৰতে বাংলাদেশৰ বিৰুদ্ধে খেলিবলগীয়া দুখনীয়া টেষ্ট শৃংখলাৰ বাবে ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দল ঘোষণা। **আৰু**

৫। যোৰহাট জিলাত চলি থকা ১৫ বছৰ অনূৰ্ধৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি ঘৰুৱা দল অসম প্ৰথমখন খেলত তামিলনাডুৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত মধ্যপ্ৰদেশ আৰু লাক্ষাদ্বীপৰ মুখামুখি।

ooooo

অসম গোৰ্খা সন্মিলনিয়ে তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত গোৰ্খা জনগোষ্ঠীৰ লগতে অন্যান্য জনজাতীয় লোকৰ সুবিধা হোৱাকৈ কাৰ্য সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাৰ শলাগ লৈছে। গোৰ্খা সন্মিলনিৰ সভাপতি কৃষ্ণ ভূজেলে, গোৰ্খা আৰু চাহ জনগোষ্ঠীৰ লোকসকলে তৃতীয় প্ৰজন্মৰ প্ৰমাণপত্ৰ অবিহনে অতি সহজ আৰু সৰল প্ৰক্ৰিয়াৰে মাটিৰ পট্টা লাভ কৰিব পৰাকৈ ৰাজ্য চৰকাৰে কৰা ব্যৱস্থাৰ বাবে ধন্যবাদ জনায়। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ সুবিধা লাভৰ বাবে নিৰ্দিষ্ট ভূমিত সংশ্লিষ্ট লোকজন তিনিটা প্ৰজন্ম ধৰি বসবাস কৰা হ'ব লাগিব। অৱশ্যে এই ক্ষেত্ৰত গোৰ্খা আৰু চাহ জনগোষ্ঠীক তিনিটা প্ৰজন্মৰ প্ৰমাণপত্ৰৰ পৰা ৰেহাই দিয়া হৈছে।

ৰাজ্যত অহা অক্টোবৰ মাহত তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ কামকাজ আৰম্ভ হ'ব। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত থাকি যোৱা আবেদনকাৰীসকলৰ আবেদন তৃতীয় পৰ্যায়ত পৰীক্ষণ কৰা হ'ব। তদুপৰি তৃতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাত সামাজিক সংস্থা, শিক্ষানুষ্ঠান, দেৱোত্তৰ বৰ্ডৰ ভূমি ম্যাদী পট্টাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব। এই পৰ্যায়ত ভূমি সম্পৰ্কীয় সকলো কাম ৰাজ্য চৰকাৰে গুৱাহাটীৰ পৰাই তদাৰক কৰিব।

ইয়াৰ পৰিপ্ৰেক্ষিতত কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এস্কেলেচন মেট্ৰিক্স, ই চিথা, ভূমি মূল্যায়ন প্ৰমাণপত্ৰ আৰু জনসাধাৰণৰ সঁহাৰি দিয়াৰ বাবে অসম ৰাজ্যিক

দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এটা প'ৰ্টেল মুকলি কৰে। এস্কেলেচন মেট্ৰিক্সৰ সহায়ত অসম লোকসেৱা অধিকাৰ আইনৰ অধীনৰ বিষয়সমূহ নিৰ্ধাৰিত সময়ত নিষ্পত্তি কৰাত সহায় হ'ব। আনহাতে, ই-চিথা সেৱা সেঁতু প'ৰ্টেলৰ মাধ্যমত ভূমি ক্ৰেতাসকলক যিকোনো ভূমিৰ স্বত্বাধিকাৰী সম্পৰ্কে জনাত সহায় কৰিব।

০০০০০০

তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক পৰীক্ষা কেন্দ্ৰসমূহৰ পৰিদৰ্শনকে ধৰি এটা সৰল পৰীক্ষা প্ৰক্ৰিয়াৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে অত্যাৱশ্যকীয় সুবিধাসমূহ নিশ্চিত কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। তেওঁ লগতে আৰক্ষী অধীক্ষকসকলক প্ৰতিটো কেন্দ্ৰৰ চাৰিওফালে কঠোৰভাৱে আইন শৃংখলা বলৱৎ কৰিবলৈও নিৰ্দেশনা প্ৰদান কৰে। পৰীক্ষাৰ সময়ত যাতে কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে আপোচ নকৰিবলৈ আৰু সামাজিক মাধ্যমকো নিৰীক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। যুৱ প্ৰজন্মৰ মুখত হাঁহি বিৰিঙাবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই স্বচ্ছ নিযুক্তিৰ জৰিয়তে ৰাজ্যক এটা বিশেষ স্থানলৈ লৈ যাব বিচৰা হৈছে বুলি প্ৰকাশ কৰে।

০০০০০০

বস্তু আৰু সেৱা কৰ পৰিষদৰ ৫৪ সংখ্যক বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বৈঠকত অধ্যক্ষতা কৰিব। চলিত বৰ্ষৰ জুন মাহত অনুষ্ঠিত এই পৰিষদৰ পূৰ্বৰ বৈঠকত ষ্টীল, লো আৰু এলুমিনিয়ামৰ সকলো গাখীৰৰ কেনত ১২ শতাংশ জি এছ টি ধাৰ্য কৰা হৈছিল। বৈঠকত ভাৰতীয় ৰে'লৱেই প্ৰদান কৰা বিভিন্ন সেৱাসমূহত জি এছ টি  আৰোপ নকৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছিল। এই সেৱাসমূহৰ ভিতৰত প্লেটফ'ৰ্ম টিকট বিক্ৰী, ৰিটায়াৰিং ৰুম, জিৰণি চ'ৰা আৰু বেটাৰী চালিত বাহনৰ সেৱা আদি আছে।

০০০০০০

বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফি উদযাপন সমিতিৰ সভাপতি আৰু টাই-আহোম সাংস্কৃতিক সমাজৰ সভাপতিৰ নেতৃত্বত এটা প্ৰতিনিধি দলে কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। আহোম সাম্ৰাজ্যৰ ইতিহাস প্ৰসিদ্ধ চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি পোৱাৰ পৰিপ্ৰেক্ষিতত দলটোৱে মুখ্যমন্ত্ৰীক এখন সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে। প্ৰতিনিধি দলৰ সৈতে মত বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, চৰাইদেউ মৈদামৰ দৰে প্ৰতিটো যুগমীয়া সম্পদৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো হৈছে ৰাজ্য চৰকাৰৰ প্ৰাথমিক দায়িত্ব। পৰৱৰ্তী সময়তো ৰাইজৰ সহযোগিতাত এনে বহু কামেৰে অসমক এখন বৈভৱশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা অব্যাহত থাকিব বুলি শ্ৰী শৰ্মাই মন্তব্য কৰে।

০০০০০০

চৰাইদেউৰ মথুৰাপুৰ সমন্বয় সংগীত মহাবিদ্যালয়ৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ২০১৬ চনৰ ৮ ছেপ্তেম্বৰত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱা ডা০ অৰুণ মহন্তই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে গুৰু বন্দনা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পাছতে এখন সভা অনুষ্ঠিত হয়। সভাত আৰদণি

ভাষণ আগবঢ়াই অধ্যক্ষ মঞ্জু বৰুৱাই সংগীত বিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ সময়ছোৱা ৰোমন্থন কৰে। ইয়াৰ পাছত সংগীত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীতৰ লগতে মাটি আখৰা, বৰগীত, সত্ৰীয়া নৃত্য, তবলা বাদন, লোকগীত আদি পৰিৱেশন কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি দুপৰীয়া ১২ বাজি ৫ মিনিটৰ পৰা ৫ মিনিটৰ বাবে এখন নতুন বুলেটিন প্ৰচাৰ কৰিব। আকাশবাণীৰ বাতৰিৰ প্ৰতি শ্ৰোতাসকলৰ আগ্ৰহক সঁহাৰি জনাই এই বুলেটিন প্ৰচাৰ কৰা হ'ব।

০০০০০০

তিনিচুকীয়া জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰী টিপুক মায়ামৰা বজ্ৰপুৰ শিমলুগুৰি সত্ৰই ২০২৫ চনত ১০০ বছৰ অতিক্ৰম কৰিব। সত্ৰখনত শতবৰ্ষ উদযাপন কৰা উপলক্ষে প্ৰস্তুতি চলোৱা হৈছে। উল্লেখযোগ্য যে ২৩৬ বছৰ ইতিহাস প্ৰসিদ্ধ টিপুক মায়ামৰা মূল সত্ৰখন ডুমডুমা দৈমুখীয়া ৰূপাই চাহ বাগিচাৰ পৰা উঠাই আনি পুনৰ ১৯২৫ চনত বৰ্তমানৰ কৰ্দৈগুৰি অঞ্চলৰ অনন্ত নলা, ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপত কেৰানি দৰ্জীজান গাঁৱত প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰায়  ৪২ খন গাঁৱৰ ভকত-বৈষ্ণৱ এই ঐতিহাসিক সত্ৰখনৰ সৈতে জড়িত হৈ আছে।

০০০০০০

বহিঃৰাজ্যৰ যান বাহনৰ পুনৰ পঞ্জীয়নৰ নামত সংঘটিত কেলেংকাৰি সম্পৰ্কত বঙাইগাঁও জিলা পৰিবহণ বিষয়া দীপক পাটোৱাৰীক গুৱাহাটীৰ ৰিহাবাৰীস্থিত তেওঁৰ বাসভৱনৰ পৰা কালি বঙাইগাঁও আৰক্ষীয়ে আটক কৰিছে। আৰক্ষীয়ে তেওঁৰ উলুবাৰী আৰু ৰিহাবাৰীত থকা বাসভৱনত অভিযান চলোৱাৰ সময়ত বহু আপত্তিজনক নথি-পত্ৰ, বিত্তীয় সংক্ৰান্তিয় নথি-পত্ৰৰ লগতে বেংকৰ কেইবাখনো পাছবুক জব্দ কৰে। উল্লেখযোগ্য যে বিগত ২০২৩-২৪ বৰ্ষ তথা যোৱা জুলাই মাহলৈকে বঙাইগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত মুঠ ৪১৭ খন গাড়ী পুনৰ পঞ্জীয়ন কৰা হৈছিল। যিবোৰ গাড়ী পূৰ্বতে বহিঃৰাজ্যত পঞ্জীয়ন কৰা বুলি জানিব পৰা গৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে বঙাইগাঁও জিলাৰ এজন সচেতন নাগৰিকৰ তথ্যৰ ভিত্তিতে ৰাজ্যৰ পৰিবহণ বিভাগত সৃষ্টি হৈ থকা এই কেলেংকাৰিৰ তথ্য পোহৰলৈ আহে।

০০০০০০

প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পলিয়েটিভ ট্ৰাষ্টৰ উদ্যোগত আৰু আছাম ছায়েন্স টেকন'ল'জী এণ্ড এনভাৰণ্টমেণ্ট কাউন্সিলৰ সহযোগত ডিব্ৰুগড়ত কালি প্ৰজেক্ট মানুহে মানুহৰ বাবে অধীনত কেন্সাৰ এণ্ড পলিয়েটিভ কেয়াৰ শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত কেইবাগৰাকীও চিকিৎসকে অংশগ্ৰহণ কৰি কেন্সাৰ ৰোগৰ চিকিৎসা আৰু প্ৰত্যাহ্বান সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে।

০০০০০০

তিনিচুকীয়া জিলাৰ বাৰেকুৰিত বিশ্ব হলৌ দিৱস পালনৰ প্ৰস্তুতি চলোৱা হৈছে। অঞ্চলটোৰ দীঘলসাঁকো গাঁৱৰ ৰাজহুৱা খেলপথাৰত অহা ২৩ আৰু ২৪ অক্টোবৰত বিশ্ব হলৌ দিৱস পালন কৰা হ'ব। এই উপলক্ষে শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতীয়া, সভাপতি প্ৰবাল চেতীয়াক কাৰ্যকৰী সভাপতি, বিতুপন গোহাঁই আৰু গনিধৰ চুতীয়াক যুটীয়া সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। উল্লেখযোগ্য যে বনমানুহ ৰূপে

পৰিচিত হলৌ বান্দৰৰ মুক্ত বিচৰণ, মানুহৰ সৈতে থকা আত্মীক সম্পৰ্কই বাৰেকুৰি অঞ্চলটো পৰ্যটনৰ দিশত সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

০০০০০০

শিলচৰস্থিত অসম বিশ্ববিদ্যালয়ে বিশিষ্টি সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰংবং টেৰাঙলৈ সন্মানীয় ডি-লীট বঁটা আগবঢ়াইছে। অহা ১৩ ছেপ্তেম্বৰত হ'বলগীয়া বিশ্ববিদ্যালয়খনৰ ২১ সংখ্যক সমাৱৰ্তনত সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰাৰ কথা আছিল যদিও শ্ৰী টেৰাঙৰ শাৰীৰিক অসুস্থতাৰ বাবে অহা ১৬ ছেপ্তেম্বৰত সাহিত্যিকগৰাকীৰ ডিফুস্থিত নিজা বাসভৱনত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই বঁটা প্ৰদান কৰিব।

০০০০০০

ভাৰতে বাংলাদেশৰ বিৰুদ্ধে খেলিবলগীয়া দুখনীয়া টেষ্ট শৃংখলাৰ দল ঘোষণা কৰিছে। এই দলত প্ৰথমবাৰৰ বাবে বাওঁহতীয়া পেছ বলাৰ য়াছ দয়াল অন্তৰ্ভুক্ত হোৱাৰ লগতে কে এল ৰাহুল আৰু ঋষভ পণ্ট পুনৰ অন্তৰ্ভুক্ত হৈছে। অহা ২৯ ছেপ্তেম্বৰত আৰম্ভ হ'বলগীয়া এই টেষ্ট শৃংখলাৰ প্ৰথমখন খেল চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। পাকিস্তানৰ বিৰুদ্ধে ২-০ৰ ব্যৱধানত ঐতিহাসিক জয় লাভ কৰাৰ পাছত বাংলাদেশে এই শৃংখলাত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতে চলিত বৰ্ষৰ আৰম্ভণিতে ইংলেণ্ডৰ বিৰুদ্ধে ৪-১ৰ ব্যৱধানত টেষ্ট শৃংখলাত জয়লাভ কৰিছিল। উল্লেখযোগ্য যে ২০২২ চনৰ ডিচেম্বৰত ভাৰতে শেষবাৰৰ বাবে বাংলাদেশৰ বিৰুদ্ধে টেষ্ট ক্ৰিকেটত অৱতীৰ্ণ হোৱাৰ পাছত ঋষভ পণ্টে প্ৰথমবাৰৰ বাবে টেষ্ট ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন কৰিছে। প্ৰথমখন টেষ্ট ক্ৰিকেটৰ ভাৰতীয় দলত অন্তৰ্ভুক্ত হোৱা খেলুৱৈসকলক হৈছে- অধিনায়ক ৰোহিত শৰ্মা,বিৰাট কোহলি, যছস্বী জয়ছোৱাল, সুভমন গীল, কে এল ৰাহুল, ছৰফৰাজ খান, ঋষভ পণ্ট, ধ্ৰুৱ জুৰেল, ৰবীচন্দ্ৰন অশ্বিন, ৰবিন্দ্ৰ জাদেজা, অক্ষৰ পাটেল, কুলদীপ যাদৱ, মহম্মদ ছিৰাজ, আকাশদ্বীপ, যশপ্ৰীত বুমৰাহ আৰু য়াছ দয়াল।

০০০০০০

যোৰহাট জিলাত চলি থকা ১৫ বছৰ অনূৰ্ধৰৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। পৰহি উদ্বোধনী খেলত অসমে মধ্যপ্ৰদেশক ৬-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰাৰ পাছত আজি দ্বিতীয়খন খেলত ঘৰুৱা দল অসমে তামিলনাডুৰ বিৰুদ্ধে সম্পূৰ্ণ আত্মবিশ্বাসেৰে খেলপথাৰত অৱতীৰ্ণ হৈছে। খেলখন পুৱা ৮ বজাত আৰম্ভ হৈ বৰ্তমানলৈকে চলি আছে। ইপিনে বিয়লি ৩ বজাৰ পৰা হ'বলগীয়া দ্বিতীয়খন খেলত মধ্যপ্ৰদেশ আৰু লাক্ষাদ্বীপ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

০০০০০০

পেৰিছত অনুষ্ঠিত পেৰালিম্পিক প্ৰতিযোগিতা যোৱা নিশা বৰ্ণিল কাৰ্যসূচীৰে সামৰণি পৰে। বিশ্বৰ ১৬৮টা পেৰালিম্পিক প্ৰতিনিধি দলৰ ৪হাজাৰ ৪০০ খেলুৱৈৰ উপস্থিতিত দেশখনৰ লোক সংস্কৃতি আৰু সংগীতৰ পৰিবেশনেৰে সামৰণি অনুষ্ঠান অধিক মননশীল কৰি তোলে। পেৰিছৰ মেয়ৰ এন্নে হিডালগোৱে পেৰালিম্পিকৰ পতাকা আন্তঃৰাষ্ট্ৰীয় পেৰালিম্পিক সমিতিৰ সভাপতি এণ্ড্ৰিউ পাৰ্চনছৰ হাতত তুলি দিয়ে আৰু এণ্ড্ৰিউ পাৰ্চনছে এই পতাকা লছ এঞ্জেলছৰ মেয়ৰ কেৰেন বাছক প্ৰদান কৰে। উল্লেখযোগ্য যে ২০২৮ চনৰ পৰৱৰ্তী পেৰালিম্পিক লছ এঞ্জেলছত অনুষ্ঠিত হ'ব।

ভাৰতে এইবাৰ পেৰালিম্পিকত ৭টা সোণ, ৯টা ৰূপ আৰু ১৩টা ব্ৰঞ্জকে ধৰি মুঠ ২৯টা পদক লাভ কৰে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পেৰিছ পেৰালিম্পিকত ভাৰতীয় দলৰ প্ৰদৰ্শনক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পেৰিছ পেৰালিম্পিকত লাভ কৰা ২৯টা পদক হৈছে ভাৰতে এতিয়ালৈকে পূৰ্বৰ ১৩খন আন খেলত লাভ কৰা ৬০টা পদকৰ প্ৰায় আধা। ৰাষ্ট্ৰপতি মুৰ্মুৱে লগতে কয়, ২০১৬ চনলৈকে ১১খন পেৰালিম্পিকত ভাৰতে ১২টা পদক লাভ কৰিছিল।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে, এই পদকৰ জৰিয়তে খেলুৱৈ সকলে ভাৰতক এক বিশেষ মৰ্যাদা প্ৰদান কৰিলে। তেওঁ পেৰালিম্পিকৰ খেলুৱৈৰ দলটোৰ সৈতে জড়িত সকলো লোককে অভিন্দন জ্ঞাপন কৰে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ লক্ষ্যৰে চৰাইদেউত কংগ্ৰেছৰ ৰণদংকা, ৰাজ্যৰ বিভিন্ন প্ৰান্তত ওপজা দিনত সুধাকণ্ঠক স্মৰণ, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ড গঠন আদি বিভিন্ন ধৰণৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

দৈনিক অসম কাকতে দীঘলীপুখুৰী পাৰত কালি ড০ ভূপেন হাজৰিকাৰ ৯৯ সংখ্যক ওপজা দিন বৰ্ণাঢ্য কাৰ্যসূচীৰে পালনৰ এটা বাতৰি **সুধাকণ্ঠৰ স্মৃতিৰে উজ্জীৱিত অসম** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত চৰাইদেউ জিলাত কংগ্ৰেছৰ নিৰ্বাচনী ৰণদংকা সম্পৰ্কীয় এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে ৰিপুন বৰা পুনৰ কংগ্ৰেছলৈ ঘূৰি অহাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ বন্ধ হ'লে ভাৰতে পাকিস্তানৰ সৈতে আলোচনা কৰিবলৈ সাজু বুলি মন্তব্য কৰিছে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে Talks with Pak if it stops terrorism in J-K : Rajnath শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ইফালে ২৬ৰ বিধানসভা নিৰ্বাচনত বিভিন্ন দল সংগঠন আৰু ব্যক্তি বিশেষৰ সৈতে সংঘাত পৰিহাৰ কৰি মুখ্যমন্ত্ৰীয়ে বুজাবুজিৰ মাজেৰে সমস্যা সমাধানৰ কৌশল গ্ৰহণ কৰাৰ আন এটা বাতৰি আমাৰ অসম কাকতে আচম্বিতে মুখ্যমন্ত্ৰীৰ সংঘাত মৰিষণ অভিযান শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত